No. of Printed Pages : 4

**FAS-01**

## BDP/BCA/BTS
## FOUNDATION COURSE IN ASSAMESE

00085

### Term-End Examination
### December, 2012
### Course Code : FAS

*Time : 2 hours* *Maximum Marks : 50*

---

প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক:

---

ক- শাখা

**1.** তলৰ প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পত শুদ্ধ চিন (✓) দিয়ক ঃ **1x5=5**

(a) অসমীয়া ভাষা কি মূলীয়?

(i) দ্ৰাবিড়মূলীয়

(ii) আৰ্যমূলীয়

(iii) মঙ্গোলীয়মূলীয়

(b) কোন চনত চোভিয়েট ৰাছিয়াই স্পুটনিক উপগ্ৰহ প্ৰেৰণ কৰে?

(i) 1955 চনত

(ii) 1956 চনত

(iii) 1957 চনত

(c) ভাৰত বুৰঞ্জীৰ কোন যুগক 'সোনালী যুগ' বোলা হয়?

(i) গুপ্ত যুগক

(ii) কুষাণ যুগক

(iii) মৌৰ্য যুগক

(d) গণতন্ত্ৰৰ গুণগত মানৰ এক মাপকাঠি হ'ল ঃ

(i) ব্যক্তি স্বাধীনতাৰ অধিকাৰ

(ii) সমতাৰ অধিকাৰ

(iii) চিন্তা আৰু মত প্ৰকাশৰ অধিকাৰ

(e) কোন ধৰণৰ খাদ্যই আমাৰ শৰীৰক নানা ধৰণৰ ৰাসায়নিক প্ৰতিক্ৰিয়াৰপৰা বচাই ৰখাত সহায় কৰে?

(i) টিনত বন্ধ খাদ্যই

(ii) সবুজ শাক পাচলিয়ে

(iii) মাছ-মাংসই

2. সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক ঃ **1x5=5**

(a) প্ৰথম অসমীয়া ব্যাকৰণ আৰু প্ৰথম অসমীয়া অভিধান কোনে উলিয়ায়?

(b) ভোগালী বিহুৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠানটো কি?

(c) ভাৰতবৰ্ষ দুটা মন্ডলৰ ভিতৰত পৰে। মন্ডল দুটা কি কি?

(d) বৃটিছ পাৰ্লিয়ামেন্টে কোন গভৰ্ণৰ জেনেৰলেক স্বাধীনতা দিয়াৰ দায়িত্ব অৰ্পন কৰিছিল?

(e) জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছনে পূব-ভাৰতৰ আধুনিক ভাষাসমূহৰ উৎপত্তি ক'ৰ পৰা হোৱা বুলি কৈছে?

3. 'সোনৰ মোহ' গল্পটোৰ সাৰাংশ লিখক। **5**

**অথবা**

ভাগৱত পুৰাণৰ দশম স্কন্ধৰ পঠিত অংশৰ আধাৰত উষাৰ চমু পৰিচয় দিয়ক।

4. যিকোনো পাঁচটাৰ সংক্ষেপে উত্তৰ লিখক ঃ **2x5=10**

(a) প্ৰধানমন্ত্ৰী হিচাপে ইন্দিৰা গান্ধীৰ কি বৈশিষ্ট্য আছিল?

(b) কম্পিউটাৰৰ দ্বাৰা কেনেদৰে লাভবান হ'ব পাৰি?

(c) দাক্ষিণাত্যত নৱৰাত্ৰিৰ কেইদিনত কাৰ কাৰ পূজা কৰা হয়।

(d) সিন্ধু উপত্যকাৰ সভ্যতাক কোন প্ৰাচীন সভ্যতাৰ লগত তুলনা কৰা হৈছে?

(e) অসমীয়াৰ খোৱালোৱা কিহৰ দ্বাৰা আৰু কেনেকৈ প্ৰভাৱিত হৈছে?

(f) 'ভাৰত ত্যাগ' আন্দোলন কি?

(g) বুদ্ধদেৱৰ মতে চাৰি সত্য কি আৰু দুখ নিবাৰণৰ মাৰ্গ কেইটা?

(h) অসমত চিত্ৰশিল্পৰ অনুশীলন ক'ত হৈছিল? এই ক্ষেত্ৰত সত্ৰসমূহৰ কিবা অৱদান আছিলনে?

(i) হেমচন্দ্ৰ বৰুৱা কোন আৰু তেওঁৰ অৱদান কি?

## খ- শাখা

5. তলৰ যিকোনো পাঁচটাৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখক : **1x5=5**
ব্যাহত, ভূতপূৰ্ব, বৃদ্ধি,জৰিমনা, ক্ষিপ্ৰ, ঐক্য, অসহিষ্ণু

6. পাঁচটি ক্ৰিয়াৰ পৰিভাষা লিখি ইয়াৰ কেইটামান উদাহৰণ দিয়ক। **5**

7. আধুনিক অসমীয়া কবিতাৰ বিষয়ে চমুকৈ লিখক। **5**

**অথবা**

যিকোনো দুটাৰ চমু টোকা লিখক ঃ
হাদিৰাচকী, কনকলতা, লাচিত বৰফুকন, ৰবীন্দ্ৰনাথ ঠাকুৰ

8. এখন স্বাধীন দেশৰ নাগৰিকৰ কৰ্তব্যৰ বিষয়ে এখন ৰচনা লিখক। **10**

**অথবা**

সৰ্বশিক্ষা মিছনৰ প্ৰয়োজনীয়তাৰ বিষয়ে আপোনাৰ দৃষ্টিকোণ সম্বন্ধে কোনো বাতৰি কাকতৰ সম্পাদকলৈ এখন চিঠি লিখক।